# অতিৰিক্ত সম্পদ আৰু সংযোগ সমূহ
# ভাৰতক একেলগে জানো আহক

**বহুতো ভাষা, অনুভূতি এক**

ভাৰত এখন বহুভাষিক দেশ। ইয়াত বিভিন্ন অঞ্চলত বিভিন্ন ভাষা কোৱা হয়। এখন ৰাজ্যৰ পৰা আন এখন ৰাজ্যলৈ যোৱাৰ ফলত কেতিয়াবা দৈনন্দিন কামত ভাষাৰ অসুবিধা হয়। এই বিষয়বোৰ মনত ৰাখি, ৰাষ্ট্ৰীয় শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদে (এন.চি.ই.আৰ.টি.) ভাৰতীয় ভাষাত এনে ধৰণৰ প্ৰায় ১০০ টা বাক্য প্ৰস্তুত কৰিছে, যিয়ে বিভিন্ন ভাষাত যোগাযোগ কৰাত সহায় কৰিব আৰু ভাতক সম্পূৰ্ণৰূপে জনাত সহায় কৰিব।

**ভাষা**

1. আপোনাৰ এলেকাৰ মুখ্য ভাষা কি?
2. আপোনাৰ ৰাজ্যত কি কি ভাষা কোৱা হয়?
3. আপোনাৰ ৰাজ্যৰ চৰকাৰী ভাষা কি?
4. আপোনাৰ ভাষাটো কি লিপিত লিখা হয়?
5. আপোনাৰ ভাষাত থকা বৰ্ণৰ সংখ্যা কিমান?

**ৰাজ্য**

6. তোমাৰ ৰাজ্যৰ চাৰিওঁফালে থকা ৰাজ্যবোৰ কি কি ?
7. কোন বছৰত তোমাৰ ৰাজ্য প্ৰতিষ্ঠা কৰা হৈছিল?
8. তোমাৰ ৰাজ্যত বিধানসভাত কিমানখন আসন আছে?
9. তোমাৰ ৰাজ্যৰ মুখ্যমন্ত্ৰী আৰু ৰাজ্যপালজন কোন?
10. তোমাৰ ৰাজ্যৰ উচ্ছ আদালত ক'ত অৱস্থিত?
11. তোমাৰ ৰাজ্যত কিমানখন জিলা আছে?
12. তোমাৰ ৰাজ্যৰ শিক্ষামন্ত্ৰী জন কোন?

**ভ্ৰমণ কৰিব লগা স্থানসমূহ**

13. ঠিক আছে, বাৰু কোৱা তোমাৰ অঞ্চলত কিমানখন পৰ্যটকৰ স্থান আছে?
14. তুমি ক'ব পাৰিবানে এই অঞ্চলক কোনটো প্ৰধান ৰাষ্ট্ৰীয় ঘাই পথে সংযোগ কৰিছে?
15. এই সকলো স্থান আমি এদিনতে ভ্ৰমণ কৰিব পাৰিমনে?

**শিক্ষানুষ্ঠান সমূহ**

16. মই নগৰত থকা শিক্ষানুষ্ঠান সমূহৰ বিষয়ে জানিবলৈ বিচাৰিছোঁ।
17. তুমি ক'ব পাৰিবানে প্ৰতিষ্ঠিত আৰু জনাজাত শিক্ষানুষ্ঠানৰ বিষয়ে?
18. উচ্ছ শিক্ষাৰ বাবে কোনখন প্ৰতিষ্ঠান আছে?
19. মই এখন প্ৰাথমিক বিদ্যালয় পৰিদৰ্শন কৰিবলৈ ইচ্চা কৰিছো। অনুগ্ৰহ কৰি কোৱাচোন কোনখন স্কুললৈ, কেনেকৈ যাম?
20. কাৰিকৰী শিক্ষানুষ্ঠানৰ বিষয়ে কিছু কথা মোক ক'ব পাৰিবানে?

**বজাৰ**

21. তোমাৰ অঞ্চলত পুৰণি বজাৰ খন ক'ত আৰু কেনেকৈ আছে?
22. সহজে বজাৰ কেনেকৈ পাব পাৰি, অনুগ্ৰহ কৰি মোক তথ্য দিবাচোন?
23. তোমাৰ অঞ্চলৰ পুৰণি বজাৰ খনৰ মূল আদৰ্শ কি?

**উৎসৱ**

24. অনুগ্ৰহ কৰি সেই ঠাইখনৰ উৎসৱৰ বিষয়ে মোক জনোৱা?
25. অতি সোনকালে তুমি কিবা উৎসৱ উদ্যাপন কৰিবা নেকি?
26. তোমাৰ ৰাজ্যখনৰ প্ৰধান উৎসৱ কোন বিলাক?
27. তোমাৰ ৰাজ্যত কোনটো প্ৰধান উৎসৱ উদ্‌যাপন কৰা হয়?
28. তোমাৰ ৰাজ্যত কোনখন প্ৰধান মেলা পতা হয়?

**খাদ্যৰ উপযুক্ত সামগ্ৰী সমূহ**

29. মই থলুৱা খাদ্যৰ জুতি ল'বলৈ ইচ্চা কৰোঁ। মোক কিছুমান ৰেষ্টুৰেন্টৰ কথা কোৱা য'ত মই খাদ্যৰ জুতি ল'ব পাৰোঁ।
30. তোমাৰ নগৰত কোনবিধ খাদ্য বিশেষ ভাবে বিখ্যাত। ইয়াৰ খাদ্যৰ বিশেষত্ব কি?
31. তোমাৰ নগৰত সেই বিলাকত নিমখীয়া বা মিঠা বস্তু/ বিস্কুট প্ৰস্তুত কৰেনে?
32. তোমাৰ নগৰত আহাৰৰ কাৰণে আৰু জলপানৰ বাবে বিশেষ ৰন্ধন প্ৰণালী আছেনে?
33. উৎসৱৰ সময়তহে বিশেষ খাদ্য বস্তু প্ৰস্তুত কৰা হয়নে?
34. কেৰল তোমাৰ চহৰত যিকোনো বিশেষ খাদ্য ৰন্ধন কৰা হয়নে?
35. তোমাৰ ৰাজ্য আৰু অঞ্চলৰ পাৰম্পৰিক খাদ্য কি কি ?
36. উৎসৱ সমূহত কি বিশেষ খাদ্য প্ৰস্তুত কৰা হয়?
37. ঘৰত কি বিশেষ মিঠা বস্তু প্ৰস্তুত কৰা হয়?
38. ঘৰত ঘৰত দৈনন্দিন সাধাৰণ খাদ্যৰ তালিকা কি?

**প্ৰাকৃতিক উৎসসমূহ**

39. তোমাৰ অঞ্চলৰ পানীৰ প্ৰাকৃতিক উৎসৰ বিষয়ে মোক কোৱা -যেনে-নদী, পুখুৰী, নিজৰা ইত্যাদি।

**পাহাৰীয়া অঞ্চল**

40. ইয়াত কিবা পাহাৰীয়া ক্ষেত্ৰ আছে নেকি?

41. এই অঞ্চলত থকা পাহাৰীয়া অঞ্চলটোৰ নাম কি?

**ঋতু**

42. ইয়াত বতৰ সাধাৰণতে কেনেকুৱা?
43. তোমাৰ নগৰত ভ্ৰমণ কৰিবলৈ কোনটো ঋতু আটাইতকৈ উপযুক্ত?

**শস্য**

44. ইয়াৰ প্ৰধান শস্য কি?
45. কোনবিধ শস্য পথাৰত তিনি দিনতে বৃদ্ধি হয়?

**গীত, সংগীত, নৃত্য, কলা সংস্কৃতি কলাৰ ৰূপসমূহ**

46. তোমাৰ নগৰখনত কোনবিধ হস্তশিল্প বিখ্যাত?
47. তোমাৰ নগৰখনত কোনবিধ লোক কলা বিখ্যাত?
48. মই তোমাৰ নগৰৰ পৰা বিখ্যাত হস্তশিল্প আৰু হস্তশিল্পৰ সামগ্ৰী সমূহ কিনিব বিচাৰিছোঁ। তুমি মোক তেনে সুন্দৰ ঠাই এটুকুৰাৰ পৰামৰ্শ দিব পাৰিবানে?
49. মই নিজ চকুৰে তোমালোকৰ নগৰৰ লোক নৃত্য চাবলৈ বহুত দিনৰ পৰা আশা কৰি আছোঁ। সেই বিলাক মই ক'ত দেখা পাম?
50. মই তোমাৰ নগৰৰ লোক গীতৰ অনুষ্ঠানত অংশ ল'বলৈ বিচাৰোঁ।
51. কোনটো লোক নৃত্য তোমাৰ অঞ্চলত সুলভ?
52. তুমি কি নৃত্য নাচিবলৈ ভাল পোৱা?
53. তুমি কেতিয়া/ ক'ত/ কাৰ পৰা নৃত্য নাচিবলৈ শিকিলা?
54. তোমাৰ অঞ্চলত কোনটো নৃত্য জনপ্ৰিয়?
55. মই যদি নাচ শিকিবলৈ বিচাৰোঁ তেন্তে মই তোমাৰ নগৰৰ ক'ত শিকিম?
56. নাচৰ পথাৰখনত তোমাৰ অঞ্চলৰ কোনজন লোক জনাজাত?
57. কোনটো বাদ্যযন্ত্ৰ তোমাৰ অঞ্চলত বজোৱা হয় আৰু নিৰ্মাণ কৰা হয়?
58. তোমাৰ অঞ্চলত শিকোৱা কোনটো বাদ্যযন্ত্ৰ বজোৱা হয়?
59. উৎসৱৰ সময়ত, বিবাহ অনুষ্ঠানত তোমাৰ অঞ্চলৰ ঘৰত কোনটো গীত গোৱা হয়?
60. শিশুৱে খেলাৰ সময়ত কোনটো খেলৰ গীত তোমাৰ অঞ্চলত গোৱা হয়।
61. পৰম্পৰাগত কি চিত্ৰৰ কাম তোমাৰ অঞ্চলত মানুহে কৰে?
62. তোমাৰ অঞ্চলত পৰম্পৰাগত চিত্ৰৰ যাদুগৰ আছেনে? মই তাক কেনেকৈ পাম?
63. তোমাৰ অঞ্চলত যি কোনো মেলা অনুষ্ঠিত হয়নে? ক'ত? কেতিয়া?
64. মই কেনেকৈ মেলাৰ ঠাইত উপস্থিত হ'ম?
65. তোমাৰ নগৰৰ মেলাৰ বৈশিষ্টবোৰ কি?
66. কোনজন লোক শিল্পী সেই মেলালৈ আহে?
67. তোমাৰ নগৰত কোনটো উৎসৱ উদ্‌যাপন কৰা হয়। সেয়া কেনেকৈ উদ্‌যাপন কৰে।
68. মানুহে আনন্দ উপভোগৰ কাৰণে কি কৰে? তুমি কলৈ যোৱা? কেনে ধৰণৰ আনন্দ যথেষ্ট তোমাৰ নগৰত?

69. তোমাৰ ঠাইত কোনবিলাক পৰম্পৰাগত খাদ্য বিখ্যাত? তুমি সেইবোৰ কেনেকৈ প্ৰস্তুত কৰে জানানে? যদি মই তেনে খাদ্য গ্ৰহণকৰিবলৈ বিচাৰোঁ তেনেহ'লে মই ক'লৈ যাম?
70. মই তোমাৰ ঠাইৰ খাদ্য ভাল পাওঁ? সেয়া ৰান্ধিবলৈ মই ক'ত শিকিব পাৰোঁ?
71. তোমাৰ অঞ্চলত কি ভাষা কোৱা হয়?
72. এই এই ৰাজ্যৰ অফিচিয়েলী ভাষা অথবা ৰাজ্যৰ ভাষা কি?
73. তোমাৰ নগৰত চিনেমা হল আছেনে?
74. কোন ঠাইলৈ গৈ তুমি চিনেমাচাব পাৰিবা? তালৈ কেনেকৈ যাবা?
75. তোমাৰ ঠাইত নাটক হয়নে? ক'ত? তুমি কেনেকৈ তাত উপস্থিত হ'বা?
76. তোমাৰ ঠাইত পৰম্পৰাগত কি পুতলা তৈয়াৰ কৰা হয়? সেই বিলাক ক'ত বিক্ৰী কৰা হয়?
77. ইয়াৰ মানুহ বিলাকে কি বৃত্তি / কাম কাম কৰে?
78. তোমাৰ ঠাইখনত চাবলগীয়া কি ঠাই আছে? সেইবিলাক কিয় বিখ্যাত? সেইবিলাকৰ বিশেষত্ব কি?
79. তোমাৰ অঞ্চলৰ বিখ্যাত শৈক্ষিক প্ৰতিষ্ঠান কোনখন?
80. তোমাৰ অঞ্চলৰ যাতায়াত ব্যৱস্থা সুলভ নে?
81. তোমাৰ অঞ্চলৰ আইন কানুনৰ ব্যৱস্থা কেনেকুৱা?
82. তোমাৰ অঞ্চলত কোনখন বজাৰ প্ৰখ্যাত? কোনখন বজাৰ কিহৰ কাৰণে বিখ্যাত?

**সাজ-পোচাক**

83. তোমাৰ অঞ্চলৰ বিভিন্ন পোচাকৰ বিষয়ে মোক ক'ব পাৰিবা নে?
84. তোমাৰ ঠাইৰ মানুহে কি ধৰণৰ পোচাক পিন্ধে?
85. তোমাৰ অঞ্চলৰ কাহিনী বোৰৰ অন্তৰালত থকা বিভিন্ন সাজ পোচাকৰ কথা ক'ব পাৰিবানে?
86. কি ধৰণৰ ৰং আৰু ডিজাইন প্ৰধানকৈ সাজ পোচাকে আধিপত্য লাভ কৰে?
87. তোমাৰ অঞ্চলত বিশেষ উৎসৱত কি ধৰণৰ কাপোৰ পিন্ধে?
88. তোমাৰ ৰাজ্যত পৰম্পৰাগত সাজ পোচাক কি? শীতকালত মানুহে কি কাপোৰ পৰিধান কৰে?

**ব্যক্তিত্ব / যুদ্ধৰ বীৰ সকল**

89. তোমাৰ নগৰৰ স্থানীয় মুক্তি যুদ্ধাৰ বিষয়ে মই জানিব বিচাৰোঁ। তোমালোকৰ অঞ্চলৰ মুক্তি যুঁজাৰু সকল কোন মোক ক'ব পাৰিবানে? তেওঁলোকৰ লগত জড়িত কাহিনীবোৰ কি কি?
90. কোন বিলাক স্থানীয় প্ৰয়োজনীয় উৎস য'ৰ পৰা সেইসকলৰ মুক্তি যুদ্ধাৰ অৱদানৰ বিষয়ে অধিক জানিব পাৰোঁ?
91. তোমাৰ ৰাজ্যত ভাৰতৰ স্বাধীনতা আন্দোলনৰ সৈতে সম্পৰ্কিত কোনবোৰ স্থান গুৰুত্বপূৰ্ণ?
92. তোমাৰ ৰাজ্যৰ আটাইতকৈ প্ৰসিদ্ধ মুক্তি যুদ্ধা জন কোন?
93. তোমাৰ ৰাজ্যৰ আটাইতকৈ প্ৰসিদ্ধ ব্যক্তিত্বৰ ব্যক্তি জন কোন?
94. তোমাৰ ৰাজ্যৰ সাহসী বঁটা পোৱা লোক সকলৰ নাম মোক কোৱা?

**খেল/ ক্ৰীড়া**

95. কোন বিলাক খেল তোমাৰ অঞ্চলত অধিক জনপ্ৰিয়?

ਪੰਜਾਬੀ हिंदी ଓଡ଼ିଆ മലയാളം नेपाली सिंधी বাংলা संस्कृतम् اردو

96. তোমাৰ অঞ্চলৰ যিকোনো নিৰ্দিষ্ট খেলৰ বিশেষ উল্লেখযোগ্য বুৰঞ্জী আছেনে?
97. কি ধৰণৰ খেল তোমাৰ অঞ্চলত প্ৰধানকৈ দেখা যায়?
98. তোমাৰ নগৰত কিমান ক্ৰীড়াক্ষেত্ৰ আৰু ষ্টেডিয়াম আছে?
99. তোমাৰ নগৰত যিকোনো বিশেষ ক্ৰীড়াৰ কাৰ্যসূচী অথবা প্ৰতিযোগিতা আছে নেকি?
100. যিকোনো ৰাষ্ট্ৰীয় বা আন্তৰাষ্ট্ৰীয় পৰ্যায়ত খেলা অংশগ্ৰহণকাৰী তোমাৰ নগৰখনত আছেনে?
101. তোমাৰ নগৰখনত থকা খেল ক্লাব আৰু দলবোৰৰ নামবোৰ কি কি?

**ধৰ্মীয় স্থান**

102. তোমাৰ নগৰখনৰ গুৰুত্বপূৰ্ণ ধৰ্মীয় স্থান সমূহৰ বিষয়ে মোক ক'ব পাৰিবানে? তালৈ কেনেকৈ যাব পাৰি?

**লোক সংগীত আৰু লোক সাহিত্য**

103. কোনবিলাক লোক গীত আৰু লোক সাহিত্য তোমাৰ নগৰত বিখ্যাত?
104. তোমাৰ নগৰৰ প্ৰধান লোক গীত টোৰ নাম তুমি মোক ক'ব পাবিানে?
105. সাধাৰণতে মানুহে কি ধৰণৰ জীৱিকা/ উদ্যোগত জীয়াই থাকিবলৈ কাম কৰে বা নিৰ্ভৰ কৰে?
106. কেনে ধৰণৰ ফেক্টৰী ইয়াত অধিক হয়?

**পৰিৱেশ**

107. তোমাৰ ৰাজ্যত ব্যক্তিৰ লগত জড়িত ব্যৱহৃত সম্পদ কোনবোৰ?
108. তোমাৰ ৰাজ্যত বিকল্প শক্তিৰ উৎসবোৰ কি কি?
109. তোমাৰ ৰাজ্যত কি পদ্ধতি
110. তোমাৰ ৰাজ্যত সামগ্ৰীৰ পুনৰ ব্যৱহাৰ কৰেনে?
111. তোমাৰ ৰাজ্যত পলিথিন আৰু প্লাষ্টিকৰ অপ্ৰয়োজনীয় ব্যৱহাৰ বন্ধ কৰিবলৈ কিবা ব্যৱস্থা আছেনে?